**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-11-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***
- - - - - - - - - - - - - -

১।  ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট প্ৰাৰ্থীৰ বিপুল বিজয়। চামগুৰি, বিহালী আৰু ধলাই আসন বিজেপিৰ দখলত, বঙাইগাঁৱত অসম গণ পৰিষদ আৰু চিদলী ইউ পি পি এলৰ দখললৈ।

২।  মহাৰাষ্ট্ৰত শাসনাধিষ্ঠ বিজেপি নেতৃত্বাধীন মহাযুটি মৰ্চাৰ আৰু ঝাৰখণ্ডত শাসনত থকা জে এম এম নেতৃত্বৰ মৰ্চাৰ জয়লাভ।

৩।  গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত আজি ৰবী শৰ্মা বৰুৱাৰ **ৰ'দৰ পাখি** ছবি প্ৰদৰ্শিত।

**আৰু**

৪।  ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ পাৰ্থৰ প্ৰথম টেষ্টৰ আজি দ্বিতীয় দিনা ঘৰুৱা দলৰ প্ৰথম ইনিংছ ৮৭ত সমাপ্ত। প্ৰথম ইনিংছৰ অগ্ৰগতিৰ সূত্ৰে দ্বিতীয় ইনিংছত ভাৰত শক্তিশালী স্থিতিত।

ooooo

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনত বিজেপি সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। নগাঁও জিলাৰ চামগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ২২ হাজাৰতকৈ অধিক ভোটত জয়লাভ কৰে। নিৰ্বাচনত জয় লাভ কৰাৰ পাছতে দিপ্লুৰঞ্জন শৰ্মাই সাংবাদিকৰ আগত এনেদৰে কয়-

**বাইট (দিপ্লুৰঞ্জন শৰ্মা)**

বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৩৫ হাজাতকৈ অধিক ভোটত জয়লাভ কৰে। চিদলী সমষ্টিত এন ডি এ মিত্ৰজোঁট প্ৰাৰ্থী ইউ পি পি এলৰ নিৰ্মল কুমাৰ ব্ৰহ্মাই ৩৭ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। নিৰ্বাচনত জয় লাভ কৰাৰ পাছতে নিৰ্মল কুমাৰ ব্ৰহ্মাই সাংবাদিকৰ আগত এনেদৰে কয়-

**বাইট (নিৰ্মল কুমাৰ ব্ৰহ্ম)**

একেদৰে বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱালে ৯ হাজাতকৈ অধিক ভোটত জয়ী হৈছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসে জয়লাভ কৰিছে। নিৰ্বাচনত জয় লাভ কৰাৰ পাছত সাংবাদিকৰ আগত এয়া বিজয়ী প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাস-

**বাইট (নিহাৰ ৰঞ্জন দাস)**

উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৫ খনৰ ভিতৰত ৫ খন আসনতে জয়লাভ কৰাৰ পিছত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই ভোটদাতা ৰাইজক ধন্যবাদ জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ পদক্ষেপৰ বাবে সমষ্টিকেইটাৰ ভোটদাতাসকলে শাসকীয় দলটোৰ পক্ষত জনমত দিছে বুলি বিজেপি সভাপতিগৰাকীয়ে কয়।

**বাইট (ভবেশ কলিতা)**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলীয় কৰ্মীসকলৰ লগতে ভোটদাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰৰ অন্তত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাটোৱে বিজেপি চৰকাৰৰ কল্যাণকামী মনোভাৱাপন্ন কাৰ্যপ্ৰণালীৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু বিৰোধীৰ বিভাজনকামী ৰাজনীতিক প্ৰত্যাখ্যান কৰা বুলি তেওঁ উল্লেখ কৰে।

বঙাইগাঁও সমষ্টিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ জয়ৰ পিছতে গুৱাহাটীৰ আমবাৰীত থকা অগপৰ মুখ্য কাৰ্যালয়ত দলীয় কৰ্মীসকলে বিজয় উৎসৱ উদযাপন কৰে। দলটোৰ সভাপতি অতুল বৰাৰ লগতে কাৰ্যকৰী সভাপতি কেশৱ মহন্তই প্ৰাৰ্থীগৰাকীক অভিনন্দন জ্ঞাপন কৰাৰ লগতে দলীয় কৰ্মীসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। এই জয়ে অসমৰ জনসাধাৰণ আঞ্চলিকতাবাদ তথা অসম গণ পৰিষদৰ সৈতে যে আছে, পুনৰ তাকে প্ৰমাণ কৰিছে বুলি অতুল বৰাই প্ৰকাশ কৰে। শ্ৰী বৰাই লগতে কয়, যে জনসাধাৰণে এন ডি এৰ বিকাশ যাত্ৰাক নিৰৱচ্ছিন্নভাৱে আগবাঢ়ি যোৱাতো বিচাৰে, সেয়েহে পুনৰবাৰ প্ৰমাণিত কৰিলে।

০০০০০০

মহাৰাষ্ট্ৰত শাসনত থকা বিজেপি নেতৃত্বৰ মহাযুটি মৰ্চাই পুনৰ শাসনভাৰ গ্ৰহণ কৰাটো নিশ্চিত হৈছে। ৰাজ্যখনৰ মুঠ ২৮৮খন আসনৰ ভিতৰত বিজেপিয়ে ৮০খনত জয় লাভ কৰাৰ উপৰি ৫৩খনত আগবাঢ়ি আছে। শিৱসেনাৰ একনাথ সিন্দে গোটে ৩৭খনত জয় লাভ কৰাৰ লগতে ২০খনত আগবাঢ়ি আছে। ৩৩খনত এন চি পিয়ে জয় লাভ কৰাৰ বিপৰীতে ৮খনত আগবাঢ়ি আছে। আনহাতে, কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ ভিতৰত কংগ্ৰেছ ৯ খন আসন জয় লাভ কৰিছে আৰু ৬খন আসনত আগবাঢ়ি আছে। শিৱসেনাৰ উদ্ধৱ থাকৰে গোটে ১৬খনত জয় লাভ কৰিছে আৰু ৪খনত আগবাঢ়ি আছে। এন চি পি শাৰদ পাৱাৰ গোটে ৬খনত আসনত জয় লাভ কৰাৰ লগতে ৪খনত আসনত আগবাঢ়ি আছে।

ঝাৰখণ্ডৰ শেহতীয়া তথ্য মতে শাসনত থকা জে এম এম নেতৃত্বৰ মৰ্চা, বিজেপি নেতৃত্বৰ এন ডি এতকৈ আগবাঢ়ি আছে। জে এম এমে ২২খনত জয় লাভ কৰাৰ লগতে ১২ খনত আগবাঢ়ি আছে। বিজেপিয়ে ১৪খনত জয় লাভ কৰাৰ বিপৰীতে ৭খনত আগবাঢ়ি আছে। কংগ্ৰেছ দলে ১০খনত জয় লাভ কৰিছে আৰু ৬খনত আগবাঢ়ি আছে।

০০০০০০০

ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ লগতে আজি ১৩খন ৰাজ্যৰ দুটা লোকসভা সমষ্টি আৰু ৪৬টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হয়। কেৰালাৰ ৱায়নাড় লোকসভা সমষ্টিত কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ৱাড্ৰাই তেওঁৰ নিকটতম চি পি আইৰ প্ৰাৰ্থী সত্যম ম'কাৰীক ৪লাখতকৈ অধিক ভোটত পৰাজিত কৰিছে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে দুটাকৈ সমষ্টিত বিজয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত এই আসনখন এৰি দিয়াৰ বাবে সমষ্টিটোত পুনৰ ভোটগ্ৰহণ কৰা হৈছিল। মহাৰাষ্ট্ৰৰ নান্দেড় লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী ড০ চান্তুকৰাও মেৰটৰাও হাম্বাৰ্ডে তেওঁৰ প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ছাৱন ৰবীন্দ্ৰ বসন্তৰাৱতকৈ ৩ লাখতকৈও অধিক ভোটত আগবাঢ়ি আছে আৰু তেওঁৰ বিজয় নিশ্চিত হৈছে।

০০০০০০০

গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত আজি ড০ ববী শৰ্মা বৰুৱাই পৰিচালনা কৰা ৰ'দৰ পাখি শীৰ্ষক ছবিখন প্ৰদৰ্শন কৰা হয়। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰতি সংবেদনশীলতাৰে নিৰ্মাণ কৰা এই ছবিখনে ভাৰতীয় পেন'ৰামাত প্ৰদৰ্শন কৰা হৈছে। আজি আন এটা প্ৰদৰ্শনীত ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিছন প্ৰতিষ্ঠানৰ ছাত্ৰ এলভেচিয়া চাংমা আৰু দিপাংকৰ দাসৰ দ্বাৰা নিৰ্মিত গাৰো ভাষাৰ চলচ্চিত্ৰ চাঞ্চুচিয়া প্ৰদৰ্শন কৰা হয়। উল্লেখযোগ্য যে এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ খন ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ২ ডিচেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ **নটসূৰ্যৰ** অষ্টবিংশতিতম নাট সমাৰোহৰ আয়োজন কৰা হৈছে। নাট সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত সাহিত্য একাডেমী বঁটাপ্ৰাপক, নৃত্যাচাৰ্য পদ্মশ্ৰী সন্মানেৰে সন্মানিত যতীন গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশ ল'ব। উদ্বোধনী অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাস্কৰ বৰুৱাৰ দ্বাৰা ৰচিত **মলখু** শীৰ্ষক নাটখন প্ৰদৰ্শন কৰা হ'ব। এইবাৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক আৰু অভিনেতা লিয়াকত আলীক গিয়াছ উদ্দিন আহমেদ স্মাৰক বঁটা প্ৰদান কৰা হ'ব। সামৰণি নাট্য সন্ধ্যাত মুখ্য অতিথি হিচাপে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশ লোৱাৰ কথা। নাট সমাৰোহৰ ৬ ডিচেম্বৰৰ বাহিৰে প্ৰতিটো সন্ধিয়াৰ প্ৰৱেশ বিনামূলীয়া হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

কামৰূপ মহানগৰ জিলাত জলজীৱন অভিযানৰ দ্বাৰা ৰূপায়ন হোৱা আঁচনিসমূহৰ কাম-কাজৰ অগ্ৰগতি আজি জিলাখনৰ আয়ুক্ত সুমিত চাট্টাৰানে পৰ্যবেক্ষণ কৰে। তেওঁ গুৱাহাটী মহানগৰীৰ গৰীয়াঘূলীৰ পানী যোগান আঁচনিৰ পৰ্যবেক্ষণ কৰি জনসাধাৰণে নিয়মীয়াকৈ পানী লাভ কৰি আছে নে নাই সেই বিষয়ে বুজ লয়। উল্লেখযোগ্য যে জলজীৱন অভিযানৰ অধীনৰ আঁচনিসমূহৰ সঠিক ৰূপায়নৰ বাবে জিলা প্ৰশাসনৰ বিষয়াসকলে একোখনকৈ পানী যোগান আঁচনিৰ পৰ্যবেক্ষণ কৰাৰ দায়িত্ব লৈছে। আয়ুক্তগৰাকীয়ে দায়িত্ব গ্ৰহণ কৰা গৰীয়াঘূলী পানী যোগান আঁচনিৰ পানীৰ গুণগত মান, নিয়মীয়া যোগান আৰু ইয়াৰ বহনক্ষমতা নিশ্চিতকৰণ সন্দৰ্ভতো

আয়ুক্তগৰাকীয়ে বুজ লয়। এই আঁচনিখনৰ জৰিয়তে ১১০টা পৰিয়ালৰ প্ৰতিটো পৰিয়ালে ৫৫ লিটাৰকৈ পানী লাভ কৰি আছে।

০০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কথা শিল্পী, পদ্মশ্ৰী সন্মানেৰে সন্মানিত ইমৰাণ শ্বাহৰ আজি ৯২সংখ্যক ওপজা দিন উপলক্ষে শিৱসাগৰৰ ধাইআলিত থকা তেওঁৰ বাসভৱনত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীত গুণমুগ্ধসকলে তেওঁক কিতাপৰ টোপোলা, গামোচা, ফুলৰ থোপা আদিৰে শুভেচ্ছা জ্ঞাপন কৰে। এই অনুষ্ঠানত সাহিত্যিকগৰাকীৰ ৰচনাৱলীৰ তৃতীয় খণ্ড আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। উল্লেখযোগ্য যে ৰামধেনু যুগৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ গল্পকাৰ ইমৰাণ শ্বাহৰ ৮খন গল্প সংকলন, ১০খন উপন্যাস, ২খন প্ৰৱন্ধ সংকলন, এখন জীৱনীকে ধৰি কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে।

০০০০০০০

শিৱসাগৰ শ্ৰম আয়ুক্ত আৰু চৰাইদেউ জিলা শ্ৰম বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ যুৱ দলত শ্ৰমিক কল্যাণ দিৱস উদযাপন কৰা হয়। ৰাষ্ট্ৰ নিৰ্মাণৰ সৈনিক, সবল সুৰক্ষিত শ্ৰমিক শীৰ্ষক বিষয়েৰে ৰাজ্যখনৰ শ্ৰমজীৱীসকলৰ পুৰোধা সদৃশ সন্তোষ তপ্নৰ জন্মদিন উপলক্ষে আজি এই দিৱস উদযাপন কৰা হয়। দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত সভাত গড়গাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক ড০ অনিল তাঁতীয়ে ভাষণ দিয়ে। এই অনুষ্ঠানতে শ্ৰম আইনৰ ন্যায়সংগত প্ৰয়োগৰ বাবে শিৱসাগৰত এখন চিকিৎসালয় আৰু এখন বিপনীক বঁটা প্ৰদান কৰা হয়। শ্ৰমিকৰ বাবে ভৱিষ্যনিধিৰ উচিত ব্যৱস্থা কৰাৰ স্বীকৃতি স্বৰূপে এখন চাহ বাগিচা বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত শ্ৰম বিভাগৰ কেইবাগৰাকী শীৰ্ষ বিষয়াকে ধৰি ভালে সংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০০০০০

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি গোলাঘাট জিলাৰ অন্তৰ্গত বোকাখাত মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত তথা কাৰ্যালয়ৰ অত্যাধুনিক সা-সুবিধাৰে নিৰ্মিত ভৱনৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত ৰাজ্য চৰকাৰে ন্যায়িক ব্যৱস্থাৰ আন্তঃগাঁথনি সবল কৰাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে বুলি তেওঁ কয়। এই প্ৰচেষ্টাৰ অংশ হিচাপে গুৱাহাটী উচ্চ ন্যায়ালয়কে ধৰি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতৰ আন্তঃগাঁথনি উন্নীতকৰণৰ কাম চলাই থকা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। ন্যায় প্ৰদানৰ বিলম্বতা বৰ্তমান সময়ৰ এক বৃহৎ প্ৰত্যাহ্বান বুলি উল্লেখ কৰি তেওঁ ন্যায়িক ব্যৱস্থাৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ লগতে বিচাৰ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অসমক অপৰাধশূন্য ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ তেওঁ সকলোৰে সহায়-সহযোগিতাৰ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ নিম্ন আদালতত মাতৃভাষা প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত অধিবক্তা সমাজকে ধৰি সকলোৰে সহযোগিতা কামনা কৰে।

০০০০০০০

যোৰহাটত জিলা খোৱাপানী আৰু অনাময় সমিতিৰ সৌজন্যত জলজীৱন আঁচনিৰ জলমিত্ৰ আৰু ক্ষেত্ৰ সহায়কসকলৰ এটি প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। টীয়কৰ কহাৰ কমাৰগাঁৱত অনুষ্ঠিত এই কাৰ্যসূচীত ৯০

গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হয়। উল্লেখযোগ্য যে জিলাখনৰ ৯০ খন জলজীৱন আঁচনিৰ ভিতৰত ৮৫ খন আঁচনিতে মাহেকীয়া বৰঙণি হিতাধিকাৰীসকলৰ পৰা নিয়মিতভাৱে সংগ্ৰহ কৰি সফলতা লাভ কৰা হৈছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে’চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ’ল’ কৰিব পাৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ’ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিধানসভাৰ উপ-নিৰ্বাচন আৰু দুখন ৰাজ্য বিধানসভাৰ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত নিৰ্বাচনী ফলাফলৰ পৰ্যালোচনা আগবঢ়াব জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামী আৰু সুশান্ত তালুকদাৰে। এই অনুষ্ঠানটোৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠানত আকাশবাণীৰ সংবাদদাতাসকলে সমষ্টিভিত্তিত নিৰ্বাচনৰ ফলাফল সম্পৰ্কে ষ্টুডিঅ’ত থকা আলোচকসকলৰ সৈতে যুক্ত হ’ব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত চলি থকা প্ৰথম টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতৰ বলাৰৰ আধিপত্যৰ বাবে অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছ ৮৭ ৰানত সামৰণি পৰে। যশপ্ৰীত বুমৰাই ৩০ ৰান দি পাঁচটা উইকেট অধিকাৰ কৰে। হৰ্ষিত ৰাণাই তিনিটা আৰু মহম্মদ ছিৰাজে দুটা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াৰ হৈ মিচ্চেল ষ্টাৰ্কে সৰ্বোচ্চ ২৬ ৰান সংগ্ৰহ কৰে। প্ৰথম ইনিংছত ৬৭ ৰানৰ অগ্ৰগতিৰে ভাৰতে নিজৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰে আৰু ভাৰতৰ অপেনাৰদ্বয় যশস্বী জয়ছোৱাল আৰু কে এল ৰাহুলে দৃঢ়তাৰে খেলি দিনটোৰ সামৰণিত ১৭২ ৰান সংগ্ৰহ কৰে। ভাৰতে এতিয়া দ্বিতীয় ইনিংছৰ আটাইকেইটা উইকেট হাতত থকা অৱস্থাত সামগ্ৰিকভাৱে ২১৮ ৰানৰ অগ্ৰগতি লাভ কৰিছে। উল্লেখযোগ্য যে আজি অষ্ট্ৰেলিয়াই সংগ্ৰহ কৰা ৮৭ ৰান হৈছে

অষ্ট্ৰেলিয়াৰ মাটিত ভাৰতৰ বিৰুদ্ধে দেশখনে প্ৰথম ইনিংছত সংগ্ৰহ কৰা সৰ্বনিম্ন ৰান। খেলখনৰ তিনিটা দিন বাকী থকা অৱস্থাত ভ্ৰমণকাৰী ভাৰতীয় দলৰ টেষ্টখনত জয়লাভ কৰাৰ সম্ভাৱনা উজ্বল হৈ উঠিছে।

0000000

সমাপ্ত